নং ঃ ২০৬/২০২০

<u>চাহ বাগিচাত চাহপাত তোলাত ব্যস্ত থকা মহিলা চাহ শ্ৰমিকৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়</u>

# চাহ শ্ৰমিকসকলৰ মাজত মাস্ক বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৪ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ বকপাৰা চাহ বাগিচাত উপস্থিত হৈ চাহপাত তোলাত ব্যস্ত চাহ শ্ৰমিকসকলক মাস্ক পৰিধান কৰা আৰু সামাজিক দূৰত্ব মানি চলাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগ কৰে। উল্লেখ্যযে বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণৰ প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে চাহ শ্ৰমিকসকলৰ মাজত ক'ভিড-১৯ প্ৰট'কল আৰু অন্যান্য স্বাস্থ্য বিধি সম্পৰ্কত পৰ্যাপ্ত সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব দি মুখ্যমন্ত্ৰীয়ে নিজেই বকপাৰা চাহ বাগিচাত উপস্থিত হৈ তাত কাম কৰা শ্ৰমিকসকলে সামাজিক দূৰত্ব মানি চলিছে নে নাই সেয়া পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে বাগানত কাম কৰা কেইবাগৰাকীও মহিলা চাহ শ্ৰমিকৰে মত-বিনিময় কৰি বাগিচা এলেকাত ক'ভিড-১৯ ৰ নিয়মাৱলী সঠিকভাৱে মানি চলা হৈছে নে নাই তাৰো বুজ লয়। পৰিদৰ্শন কালত তেওঁ মহিলা চাহ শ্ৰমিকসকলৰ মাজত মাস্ক বিতৰণ কৰাৰ উপৰি তেওঁলোকক নিজৰ তথা সমাজৰ সুৰক্ষাৰ বাবে অনবৰতে সামাজিক দূৰত্বৰ নিয়মাৱলী তথা পৰিষ্কাৰ- পৰিচ্ছন্নতা বজাই ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ প্ৰতিৰোধী যুঁজত এই পৰ্যন্ত বাগানৰ শ্ৰমিকসকলে সামাজিক দূৰত্ব মানি চলি যি সঁহাৰি জনাইছে তাৰ বাবেও শ্ৰমিকসকলৰ শলাগ লয়।

উল্লেখ্য ইতিমধ্যে ৰাজ্যৰ চাহ শ্ৰমিকসকলক মাস্ক প্ৰদানৰ বাবে হাতত লোৱা পদক্ষেপৰ অধীনত ডিব্ৰুগড় জিলাৰ ১৭৭ খন চাহ বাগানৰ ১,১৩,২৮৫ গৰাকী শ্ৰমিকৰ বাবে ৩ খনকৈ মুঠ ৩.৪০ লাখ তিনিতৰপীয়া মাস্ক যোগান ধৰা হৈছে আৰু বাগানে বাগানে শ্ৰমিকসকলক এই মাস্ক প্ৰদানৰ প্ৰক্ৰিয়া অব্যাহত আছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে লক ডাউনৰ দ্বিতীয় পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশাৱলীৰ আধাৰত ৰাজ্য চৰকাৰে চাহ বাগিচাৰ ক্ষেত্ৰত শিথিলতা আনিছে যদিও কৰ্ম ক্ষেত্ৰত সকলোৱে স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশাৱলী মানি চলিব লাগিব। ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰখন শক্তিশালী কৰাৰ ক্ষেত্ৰত চাহ উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিষয়টোত গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে লক ডাউনৰ দ্বিতীয় পৰ্যায়ত চাহ উদ্যোগক শক্তিশালী কৰি তুলিবলৈ প্ৰয়াস চলাইছে। চাহ বাগিচাৰ শ্ৰমিক তথা চাহ বাগান কৰ্তৃপক্ষই সামাজিক দূৰত্ব বজাই ৰাখি কৰ্ম সম্পাদন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে তেওঁ নিজে এই বিষয়টো প্ৰতিখন জিলাৰ উপায়ুক্তৰ সৈতে আলোচনা কৰাৰ উপৰি শ্ৰম বিভাগৰ লগতো আলোচনা কৰিছে। সামাজিক দূৰত্ব বজাই ৰাখি চাহ বাগিচাসমূহত কাম-কাজ যাতে পূৰ্ণোদ্যমে চলাই থাকিব পৰা যায় তাৰ বাবে ইতিমধ্যে জিলা উপায়ুক্তসকলক নিৰ্দেশ

দিয়া হৈছে। এই ক্ষেত্ৰত নিৰীক্ষণ ব্যৱস্থাটো শক্তিশালী কৰি তোলাৰ বাবে প্ৰতিগৰাকী উপায়ুক্তককে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ক্ষুদ্ৰ চাহ বাগিচাসমূহ যাতে ক্ষতিগ্ৰস্ত হ'ব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আগবঢ়োৱা সাহায্য যাতে চাহ শ্ৰমিকসকলে নিশ্চিত ৰূপত লাভ কৰে সেই দিশত তীক্ষ্ণ নজৰ ৰাখিবলৈ প্ৰতিগৰাকী উপায়ুক্তকে নিৰ্দেশ দিয়া হৈছে। দুখীয়া চাহ শ্ৰমিকসকলেও যাতে এই সুবিধা লাভ কৰিব পাৰে তাৰ বাবে প্ৰতিখন জিলাৰ উপায়ুক্তই পদক্ষেপ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰয়োজন সাপেক্ষে উপায়ুক্তসকলক বাগানৰ লাইনৰ চৰ্দাৰসকলৰ সৈতে সঘনাই যোগাযোগ ৰক্ষা কৰাৰ বাবেও কয়।

আজিৰ পৰিদৰ্শন কালত স্থানীয় বিধায়ক ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক শ্ৰীজিথ টি আৰু অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্তও উপস্থিত থাকে।

**সুঃমিঃকঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃব**
**২৪/৪/২০২০**